**2017**

**ASSAMESE**

**Paper : 2.05 (Option-C)**

# DIALECTOLOGY AND DIALECTS OF ASSAMESE LANGUAGE

Full Marks: 80

Time: 3 hours

The figures in the margin indicate full marks for the questions

১। উত্তৰ লিখা ঃ ১ x ১০ = ১০

(ক) উপভাষা সৃষ্টিৰ প্ৰধান কাৰণ কি ?

(খ) 'সুচক' উপভাষা-বিজ্ঞানৰ কোনটো বিষয়ৰ লগত জড়িত শব্দ ?

(গ) ভাষা আৰু উপভাষাৰ প্ৰধান পাৰ্থক্য কেইটা ?

(ঘ) Isogloes শব্দটো পোন প্ৰথমে কোনে ব্যবহাৰ কৰিছিল ?

(ঙ) আৰবীৰ উচ্চ বুলি বিবেচিত ভাষাটো কি ?

(চ) অপিনিহিত কামৰূপী উপভাষাৰ ধ্বনি পৰিবৰ্ত্তনৰ এক বিশিষ্ট নিয়ম হয়নে ?

(ছ) গোৱালপৰীয়া উপভাষাত (অ')ৰ প্ৰয়োগ আছেনে ?

(জ) 'A study on Kamrupi : A Dialect of Assam' শীৰ্ষক গ্ৰন্থখনৰ গ্ৰন্থকাৰ কোন ?

(ঝ) গোৱালপৰীয়া উপভাষাৰ পশ্চিম অঞ্চলৰ আঞ্চলিক ৰূপটোক কি নামেৰে জনা যায় ?

(ঞ) কামৰূপী উপভাষাত নিম্নস্বৰ উচ্চস্বৰলৈ ৰূপান্তৰিত হোৱাৰ প্ৰৱনতা আছে নে নাই?

২. চমুকৈ উত্তৰ লিখা ঃ ২ x ৫ = ১০

(ক) ভাষিক মানচিত্ৰ কি?

(খ) সামাজিক জাতিগত উপভাষা কি? অসমত এনে উপভাষা আছেনে?

(গ) কামৰূপী উপভাষাৰ লিংগ প্ৰকৰণৰ আৰু মান্য অসমীয়াৰ লিংগ প্ৰকৰণৰ পদ্ধতিগত দুটা সাদৃশ্য লিখা।

(ঘ) গোৱালপৰীয়া উপভাষাৰ আঞ্চলিকৰূপ কেইটা আৰু কি কি?

(ঙ) 'দৈঅল' কোন উপভাষাৰ শব্দ? ইয়াৰ অৰ্থ কি ?

৩. চমুটোকা লিখা ঃ (যিকোনো দুটা) ৫ x ২ = ১০

(ক) বৰ্ণভাষা

(খ) আঞ্চলিক উপভাষা

(গ) কামৰূপী উপভাষাৰ বহুবচনাত্মক প্ৰত্যয়

(ঘ) গোৱালপৰীয়া উপভাষাৰ অক্ষৰ

৪. উপভাষা সৃষ্টিৰ লগত জড়িত হৈ থকা বিভিন্ন কাৰকবোৰ সামৰি এটি আলোচনা দাঙি ধৰা । ৭

অথবা

উপভাষা জৰীপ মানে কি। উপভাষা জৰীপ সম্পৰ্কে পৰ্যালোচনা কৰা।



৫. গোৱালপৰীয়া উপভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্য ইয়াৰ স্বকীয়তা প্ৰতিপন্ন কৰা। ৭

অথবা

'কামৰূপী উপভাষাত কাৰক আৰু শব্দবিভক্তি'-এই বিষয়ত এটি আলোচনা যুগুত কৰা । ৭

তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা।

৬. উপভাষা কাক বোলে? একোটা ভাষা কেনেকৈ উপভাষালৈ পৰিণত হয় উপযুক্ত উদাহৰণসহ ব্যাখ্যা কৰা। ২ +১০= ১২

৭. উপভাষাৰ সীমা নিৰ্ধাৰক বুলিলে কি বুজা? ইয়াৰ বিভাগকেইটাৰ নাম উল্লেখ কৰি এটি আলোচনা দাঙি ধৰা। ৩+৯=১২

৮. গোৱালপৰীয়া উপভাষাৰ ব্যঞ্জনধ্বনিৰ এখনি তালিকা প্ৰস্তুত কৰি মান্য অসমীয়া ভাষাৰ সৈতে এইবোৰৰ সাদৃশ্য-বৈসাদৃশ্য সমূহ দেখুওৱা। ১২

৯. কামৰূপী উপভাষাৰ শব্দভাণ্ডাৰ মূলতঃ কোন কোন উৎসৰ দ্বাৰা সমৃদ্ধ হৈছে? কামৰূপী উপভাষাৰ শব্দভাণ্ডাৰ সম্পৰ্কে এটি চিন্তাকৰ্ষক প্ৰবন্ধ লিখা। ১২

১০. গোৱালপৰীয়া উপভাষাৰ শ্ৰেণীবিভজন সম্পৰ্কে বিভিন্ন ভাষাবিদে কেনেধৰণৰ মত প্ৰকাশ কৰিছে বুজাই লিখা। তোমাৰ দৃষ্টিত গোৱালপৰীয়া উপভাষা কেনেদৰে বিভাজিত হৈ অসমৰ কোন কোন স্থানত বিস্তৃত হৈ আছে বিচাৰ কৰা। ৬ + ৬ = ১২

——— x ———